"মাধৱদেৱৰ বহিনাই ৰামদাস। আছে একে চতালে দুই হাস্তে কৰি বাস॥
ৰামদাস-সুত ৰামচৰণ নিশ্চয়। মাধৱদেৱৰ তেন্তে ভাগিন হোৱয়॥
পঢ়ান্ত মাধৱদেৱে মহাৰঙ্গ মনে। ফলা সমস্তয় পঢ়াইলন্ত অল্পদিনে॥
পঢ়াইলন্ত নামখড়ি সমস্তেপঢ়িলাঁ। অনন্তেৰে সন্ধি-বৃত্তিত পাঠ দিলাঁ॥
পঢ়াইলাঁ মাধৱদেৱে ৰামচৰণক। পাৰিলাঁ পঢ়িবে ভাল পদ-পয়াৰক॥
ৰত্নাৱলী ৰত্নাকৰ আদি গ্ৰন্থ যত। কৈলিকৃত্য ভৈলা আনো শাস্ত্ৰত পাৰ্গত॥
শিখাইলন্ত কায়স্থিকা বৃত্তি সমস্তয়। অদ্ভুত লেখক ভৈলন্ত মহাশয়॥"

ৰামচৰণৰ বৰগীত "ডেকা ভাই" আগতে উদ্ধৃত কৰা হৈছে; এনে আৰু দুই এটি আছে। **কংসবধ** অঙ্কত ৰামচৰণৰ মৌলিকতা প্ৰমাণিত হৈছিল। **ভক্তি-ৰত্নাকৰৰ** পদ শঙ্কৰদেৱৰ সংস্কৃত গ্ৰন্থৰ ভাঙনি। **টীকাভাষ্য** নামৰ এখন পুথিও কোনোৱে ৰামচৰণৰ বুলিব খোজে; কিন্তু তাৰ ভণিতাত ৰামচন্দ্ৰ হে আছে। মাধৱদেৱে তেওঁৰ পাছত মহাপুৰুষীয়া ধৰ্মৰ আচাৰ্য্য হবৰ উপযুক্ত লোক নাই বুলি স্পষ্ট কোৱা সত্ত্বেও ( দৈত্যাৰিৰ গুৰু-চৰিত, ১৫৬৯ -৭৪ পদ ) এই পুথিত আচৰিতভাৱে তাৰ বিপৰীতে 'আমিও বহিবোঁ গোপালত অন্তকালে" বুলি কোৱাইছে ; ভাব-ভাষা সকলোতে "আদি-চৰিত"ৰ দৰে ই নিকৃষ্ট ৰচনা।

অসমীয়া বৈষ্ণৱ সাহিত্যত কেবাজনো গোপালৰ নাম পোৱা হয়, তাৰে এজন **গোপাল আতা** ( ১৫৪১-১৬১১ ? )। এওঁক ভবানীপুৰীয়া বুলিও চিনায়, কিয়নো এওঁৰ আদি ঘৰ শিৱসাগৰৰ গড়গাঁও অঞ্চলত হলেও ভাটী বয়সত কামৰূপৰ ভৱানীপুৰতহে বসতি কৰিছিল। এওঁৰ মাক ব্ৰজাঙ্গী আৰু পিতাক কামেশ্বৰ ; ২৫ বছৰ মান বয়সত এওঁ মাধৱদেৱত শৰণ লয়। এৱেঁই পিছৰ কালসংহতিৰ প্ৰতিষ্ঠাপক বুলি কথিত ; আৰু দৈত্যাৰিৰ গুৰু-চৰিতত ( ১৫৬৯-৭৪ পদ ) মাধৱদেৱে অসমৰ বৈষ্ণৱ ধৰ্ম্ম-গুৰুৰ আসনত বহিবৰ যোগ্য লোক নাই বুলি দৃঢ়ভাৱে কোৱা কথাৰ বিপৰীতে এই পৰৱৰ্ত্তী পন্থাৰ কোনোৱা ৰামানন্দ দাসৰ গোপাল-চৰিতত আৰু ৰামচৰণৰ বোলা "টীকা-ভাষ্য" নামৰ এখন "জাল্" পুথিত "আমিও বহিবোঁ গোপালত অন্তকালে" বোলা কথা ছলে-বলে সুমুৱাবৰ যত্ন কৰিছে। স্বৰূপতে "টীকা-ভাষ্য"ৰ ভণিতাতো "ৰামচন্দ্ৰ" নামহে আছে, তাক শঙ্কৰ-চৰিত-প্ৰণেতা মাধৱদেৱৰ ভাগিনেক ৰামচৰণ ঠাকুৰ বুলিবৰো হেতু নাই; ৰামানন্দ দাসেও দৈত্যাৰি ঠাকুৰৰ মতেই "ঘোষা" পুথিতেহে মাধৱদেৱৰ বল-বীৰ্য্য সকলো আছে বুলিছে। সি যি হওক, ত্ৰুটিমান

বৰগীত আৰু 'জন্মযাত্ৰা, আৰু "উদ্ধৱ সম্বাদ" নামৰ দুখনি অঙ্কই গোপাল আতাৰ সাহিত্য-প্ৰতিভা জিলিকাই থৈছে। মাধৱদেৱৰ "ওগো মাই তোহোৰ তনয় যদুমণি" বিতোপন বৰগীতটি সোঁৱৰোৱা এওঁৰ 'জন্মযাত্ৰা"ৰ সামৰণি গীতটি অতি ধুনীয়া।—

গীত—ৰাগ ভাটিয়ালী, একতালী

| | |
|---|---|
| গোকুলে উদয় যদুমণি। | আনন্দে নন্দৰ পুৰ ছানি॥ ধ্ৰু। |
| গোপীগণ আসিয়া হৰিষে। | কৃষ্ণ-শিৰে কুসুম বৰিষে॥ |
| হালধি গোৰস মোট ভৰি। | অন্যো অন্যে সিঞ্চে ৰঙ্গ কৰি॥ |
| মোট-জলে শৰীৰ ভিজায়া। | ৰঙ্গে নাচে হাসে গোপজায়া॥ |
| কৃষ্ণ-যশোদাৰ মুখ চাই। | প্ৰেমভৰে নয়ন জুৰায়॥ |
| গোপগণে উঠিয়া হৰিষে। | দধি-দুগ্ধ সিঞ্চে দশোদিশে॥ |
| ঘসে ঘৃত ঘোলে মাৰে ছাটি। | মাৰে লৱণুৰ পিণ্ড বাটি॥ |
| ঋষিগণে বেদধ্বনি কৰি। | সঘনে সুস্বৰে হৰি হৰি॥ |
| দেৱগণে গগনে হৰিষে। | নাচে হাসে কুসুম বৰিষে॥ |
| শিঙ্গা শঙ্খ ভেৰি ঢাক ঢোল। | গগন পূৰিয়া হৰি-ৰোল॥ |
| সভাত যতেক বৃদ্ধ আছে। | উঠি সৱে প্ৰেম-ভাৱে নাচে॥ |
| অন্যো অন্যে কৰি ধৰা-ধৰি। | ফুৰে সৱে মাটিত বাগৰি॥ |
| কতো উঠি কৰে জয় জয়। | উপজিলা নন্দৰ তনয়। |
| মাধৱৰ পাদ-পদ্ম মনে। | ধৰিয়া গোপাল দীনে ভণে॥ |

**গোপালচৰণ দ্বিজই** (১৫৪০-১৬১০?) শঙ্কৰদেৱৰ পদাঙ্ক অনুসৰি ভাগৱত তৃতীয় স্কন্ধৰ পদ কৰিছিল, আৰু অনন্ত কন্দলীৰ দৰেই সেইদেখি এওঁ শঙ্কৰদেৱৰ উচ্ছিষ্ট ভোজন কৰিছে বুলি কৈ কাঢ়িছে—"শ্ৰীশঙ্কৰক আদি সাধুসৱ যত। যদি পদ নিবন্ধিয়া আছে নানা মত॥ তথাপিতো তাহাৰ উচ্ছিষ্ট যিটো পাওঁ। সাধুসকলৰ বাক্যে তাকেসে জোবাওঁ॥" (৬৯১ পদ)। আকৌ "আছিলন্ত শ্ৰীদামোদৰ মহা সন্ত। ভাগৱত শাস্ত্ৰ মাত্ৰ সদা শুনিলন্ত॥ তান নিজ কিঙ্কৰ পৰম সাধুচয়। ইদানীকো হৰিগুণ সত্ৰে প্ৰৱৰ্ত্তয়॥ তাসম্বাৰ বচনক কৰি শিৰোগত। তৃতীয় স্কন্ধৰ পদ কৰিবোঁ বেকত॥" (৬৮৯-৯০ পদ)। এই উক্তিৰ পৰা "বিৱৰণমূলক তালিকা" লেখকে ভভাভৈয়াকৈ

এওঁক দামোদৰদেৱৰ শিষ্য বুলিছে; কিন্তু এই উদ্ধৃতিৰ পৰা তেনে কথা স্পষ্ট নহয়; কিন্তু তলৰ উদ্ধৃতি আদিত এওঁক শঙ্কৰদেৱৰ শিষ্য বুলিছে দৃঢ়ভাৱে কোৱা বুলি ধৰিব পাৰি (১৮৯-৯৯ পদ) ঃ—

"কৃষ্ণৰ একান্ত নিষ্ঠ শ্ৰীমন্ত শঙ্কৰ শিষ্ট
কামৰূপে ভৈলন্ত বেকত।
লোকৰ চিন্তিয়া হিত, পাষণ্ডক দমি নিত,
প্ৰচাৰিলাঁ ভক্তি বহু মত ॥
নানা শাস্ত্ৰ প্ৰচাৰিয়া, ভকতক প্ৰকাশিয়া,
আমাক দিলাঁহা চক্ষু দান।
কোটি কোটি কল্প যদি, উপকাৰ কৰি অতি,
তভো গুণ শুজা নযায় তান ॥
বান্ধৱ কৃষ্ণক তেহে, আমাসাক চিনাইলন্ত,
ভক্তক কৰাইলাঁ পৰিচয়।
জ্ঞান-কৰ্ম্ম পথ খণ্ডি, ভকতিক দেখাইলন্ত
হেন বন্ধু কেহ নাহিকয় ॥
তান পদ অনুসৰি, বিৰচিলোঁ ইটো পদ,
আৰ ফল বাঞ্ছো এহিমান।
তান্ত মোৰ ৰৌক মতি, বৈষ্ণৱত হৌক প্ৰীতি,
মোৰ জন্ম হৌক যিটো স্থান ॥"

আন আন ঠাইতো শঙ্কৰদেৱৰ গুণ এওঁ সহস্ৰ মুখে' কৈছে—"আমাৰ বান্ধৱ বন্ধু শ্ৰীমন্ত শঙ্কৰ। কৰিলন্ত পদ তেঁহো চাৰি অধ্যায়ৰ ॥ সিটো বচনক মই মনে আদৰিলোঁ। এতেকে ইসৱ কথা সংক্ষেপে কহিলোঁ।" (৭৬৭পদ)।

তৃতীয় স্কন্ধৰ বাহিৰে এওঁ "হৰিবংশ"ৰ পদ কৰিছিল, আৰু এই সম্পৰ্কত লিখিছে, "গোপালে গুৰুৰ পায় প্ৰণমিয়া মনে। বলদেৱ বাক্য শিৰে ধৰিয়া যতনে ॥ ইষ্ট কৃষ্ণ দেৱতাৰ অৰুণ চৰণে। পদচয় ভণে দ্বিজ গোপালচৰণে ॥ হৰিবংশ ভাগৱত শ্ৰীবিষ্ণুপুৰাণ। তিনিৰ সঙ্গম কথা হৈবেক উত্থান ॥ যমুনা জাহ্নবী সৰস্বতী এক স্থান। প্ৰয়াগে বহয় ইটো তাহাৰ সমান ॥" "একে হৰিবংশ কথা অতি সুচৰিত। তাতে শ্ৰীভাগৱত কৰিলোঁ মিশ্ৰিত ॥ শ্ৰীবিষ্ণু পুৰাণকো কৰিবোঁ জড়িত। তিনি মিলি হৈব অতি স্বাদ বিপৰীত ॥" ইয়াত

কবিৰ যথেষ্ট পাণ্ডিত্য ফুটি ওলাইছে, আৰু ইয়াক সেইদেখি সংস্কৃতৰ আখৰুৱা ভাঙনি বুলি উলাই কৰিব নোৱাৰি। "বিৱৰণমূলক তালিকা"ৰ মতে এই পুথিৰ ৰচনাৰ কাল ১৫৫৮ খৃঃ মান হব; কিয়নো ৰঘুদেৱৰ ৰাজত্ব (১৫৮১-১৬০৩ খৃঃ) গোপাল দ্বিজই বৰনগৰত সংস্কৃত-চৰ্চ্চাৰ যি টোল বাখে, বৈকুণ্ঠনাথ ভট্টদেৱ (১৫৫৮-১৬৩৮ খৃঃ) আদি তাৰ ছাত্ৰ। এওঁৰ হৰিবংশ আগবয়সৰ আৰু তৃতীয় স্কন্ধ শঙ্কৰদেৱ-দামোদৰৰ তিৰোভাৱৰ পাছত ষোড়শ শতিকাৰ শেষ ভাগৰ ৰচনা বুলি ঠাৱৰ কৰা হৈছে।

**গোপাল মিশ্ৰ কবিৰত্নৰ** পিতাক ধৰ্ম্মাই বা বলদেৱ; ককাক হৰিহৰ আচাৰ্য্যৰ ঘৰ মালীপুৰত। এওঁকে খুদীয়া আৰু উলুবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা আৰু দামোদৰ, নিৰঞ্জন, আৰু বনমালীদেৱৰ গুৰু বোলে; দামোদৰদেৱে পাটবাউসী, নিৰঞ্জনদেৱে আউনিআটী, আৰু বনমালীদেৱে দক্ষিণপাট আদি সত্ৰৰ প্ৰতিষ্ঠা কৰে। নিৰঞ্জনদেৱেই জয়ধ্বজ সিংহ (১৬৪৪-৬৩ খৃঃ) ৰজাক শৰণ দিয়ে বুলি কয়; সেইদেখি এওঁ আন দুজন গোপালৰ নবীন সমসাময়িক বুলি বুজিব পাৰি। মাধৱদেৱৰ আনুগত্যত আৰু অনুকৰণত এওঁ "ঘোষা-ৰত্ন"ৰচি ভক্তি-ধৰ্ম্ম ৰাখানে; আৰু পৰাধৰ্ম্ম-নিৰূপণ, শঙ্খচূড় বধ, মহীৰাসুৰ বধ আদি আন কেইখনো পুথি এওঁ ৰচা বুলি কয়। অসমৰ সন্তসকলৰ বৰ্ণনাৰে সন্তনিৰ্ণয় পুথিৰ ৰচকৰূপে **কৃষ্ণভাৰতী** জনাজাত। "কৃষ্ণভাৰতীৰায়াতি বেদান্ত-কেশৰী। পলায়ৰ্দ্ধং পলায়ৰ্দ্ধং ভো ভো পণ্ডিতকেশৰী॥" এওঁৰ উল্লেখ প্ৰয়োগ-ৰত্নমালা-প্ৰণেতা পুৰুষোত্তম বিদ্যাবাগীশেও কৰিছে। যদি এওঁ শঙ্কৰদেৱৰ সমসাময়িক হয়, তেতিয়া হলে এওঁ এই পুথি ৰচা নহয় যেন লাগে। **কৃষ্ণ-আচাৰ্য্যৰ** শঙ্কৰ-চৰিতৰ লগত সন্ত-নিৰ্ণয়ৰ মিলেও এই দুই গ্ৰন্থকাৰৰ নাম বা পুথিৰ খেলি-মেলি থকা যেন দেখুৱায়। **গোবিন্দ দাসৰ** সন্ত-সম্প্ৰদায় কথা-পুথিৰ সামৰণিত—"সাধুসৱক সম্বোধিয়া সেৱা কৰিবাঁ, এতেকে সে মুক্তিক লভিবাঁ। অপৰাধী-সৱকো সদায় ক্ষমা কৰিবাঁ। ইতি, এটকা মহন্তৰ চৰিত্ৰ পুস্তক সমাপ্ত।" এনে আৰু অনেক পুথি আছে; এইবিলাক অতি সম্ভৱ সপ্তদশ শতিকাৰ মাজ বা শেষ ভাগৰ।

**গোবিন্দ মিশ্ৰৰ** পদ-গীতা এই যুগৰ এটি বিশেষ সম্পদ। এওঁৰ ঘৰ কামৰূপৰ বালি গাঁৱত; পিতাক তাৰাপতি, ককাক কলাপচন্দ্ৰ, আজোককাক ৰামমিশ্ৰ। এওঁৰ পাণ্ডিত্য কবিত্বতকৈ হীন নাছিল; এই পদ-ভাঙনি সম্পৰ্কে

নিজেই লিখিছে—"শঙ্কৰী ভাস্কৰী, মতক আলোচি টীকা চাই হনুমন্ত। আনন্দগিৰিৰ, টীকা যে স্বামীৰ দুইবো জিজ্ঞাসি মত ॥ পঞ্চ টীকা চাই, যিমানে বুজিলোঁ, মতি অনুসাৰে লৈলোঁ ॥" **ভাগৱত মিশ্ৰ** হৰি মিশ্ৰৰ পুতেক আৰু হৰি-দেৱৰ (১৪৯৩—১৫৭১ খৃঃ) শিষ্য ; এওঁৰ বিষ্ণুপুৰাণ আৰু ভক্তিমূলক সাত্বত তন্ত্ৰৰ ভাঙনি বিতোপন। "সংসাৰ-চক্ৰ" নামৰ আন এখনি পুথিতো এওঁৰ ভণিতা পোৱা হয়। "ভাগৱত-ৰত্ন" পুথিৰ ভণিতাৰ পৰা ইয়াৰ ৰচয়িতা **বিষ্ণু ভাৰতীৰ** বিষয়েও যৎসামান্য জানিব পাৰি :—

"দ্বাদশ স্কন্ধৰ কথা সূত্ৰ অনুসৰি। যি অধ্যায়ত যেন কথা আছে ব্যাখ্যা কৰি ॥
তাহাক সুচাই য়াইবোঁ প্ৰথমৰ হস্তে। যিহেতু আমাক বোলে অনেক মহন্তে ॥
শ্ৰীধৰ স্বামীৰ শঙ্কা শ্লোক অনুবন্ধে। বিৰচিবোঁ সূত্ৰ কথা পৰম প্ৰবন্ধে ॥
শুনা মহাজনসৱে গোচৰ আমাৰ। ইটো শাস্ত্ৰখানি হৌক লোকত প্ৰচাৰ ॥
ভাগৱত-ৰত্ন নামে ভাগৱত তত্ত্ব। ইহাক জানিলে জানিবেক ভাগৱত ॥
অল্পভাৱে হোৱে যদি বহুমূল্য ৰত্ন। শ্ৰীবিষ্ণু ভাৰতী উদ্ধাবিলা কৰি যত্ন ॥"

এওঁৰ আন এখনি পুথি "ধ্ৰুৱ-চৰিত"। এইসকলৰ উপৰিও অনেক সৰু-সুৰা পুথি-লেখক আছে, সেই সকলৰ সম্যক্ পৰিচয় নোপোৱাত আৰু এৰেখন পুথিতে কেবাজনৰো নাম বা ভণিতা পোৱা আদি খেলি-মেলিৰ বাবে তেওঁলোকৰ বিশেষ উল্লেখ কৰা নহল।

ভাগৱতৰ চতুৰ্থ-পঞ্চম স্কন্ধ, মহাভাৰতৰ আদি-পৰ্বৰ ৩৮৫ পদ মানলৈ, "ধৰমৰ গীত" নামৰ পুথিৰ কেইবাশও গীতত এজন অনিৰুদ্ধৰ ভণিতা পোৱা হয় ; তেওঁ নিশ্চয় অনিৰুদ্ধ দ্বিজ বা ৰাম সৰস্বতী নহয় ; তেওঁৰ উপাধি কায়স্থ বা ভূঞা। পঞ্চম স্কন্ধত আছে—

লোহিত উত্তৰ কাৰবে প্ৰকাশে নাৰায়ণপুৰ বন্ধ।
তাৰ মধ্যে ভাগে মাজৰ তালুক কহিবোঁ কত মহত্ত্ব ॥...
তাৰ অন্তৰ্গত বিষ্ণু-বালিকুঞ্চি ভৈলেক গ্ৰাম বিশেষ।
শঙ্কৰ মাধৱ উপাসা কৰিয়া আছিলে ভক্ত অশেষ ॥
সেই গ্ৰামেশ্বৰ ভৈলেক গোমস্থা মহীপাল নাম যাৰ।
সকল লোকৰ মধ্যত ভৈলেক যাহাৰ গুণ প্ৰচাৰ ॥
তাহান সন্ততি বৃহদ্দলপতি অপৰ হৰি দলই।
দুই হানো কনিষ্ঠ গণ্ডা নৰগিৰি বুলিয়া সৱে বোলই ॥

ব্যাকর্ণ শাস্ত্রত পৰম পণ্ডিত আছিলেক মহাবীৰ।
শঙ্কৰৰ দুই চৰণ পঙ্কজে কৰিছিল বুদ্ধি স্থিৰ॥
তাহান সন্ততি ভৈল অনিৰুদ্ধ নজানে শাস্ত্ৰ নিশ্চয়।
গোপালৰ দুই চৰণ সম্পৰ্কে মনে যেন উপজয়॥
পৰম দেৱতা হৃদয়ত থাকি দিলা যেন অনুমতি।
সেই অনুৰূপে পঞ্চম স্কন্ধৰ ৰচিলোঁ কথা সম্প্ৰতি॥

আৰু ৰামানন্দৰ গুৰু-চৰিতৰ (৩২৩-৪১ পদ) পৰা আমি জানো নাৰায়ণপুৰৰ এই বালিকুচি বা বালিগাঁৱেই মাধৱদেৱৰ জন্মস্থান। এই ভণিতাত দিয়া বংশাৱলী চিদানন্দদেৱ (১৮২৫-৮০ খৃঃ) ৰচিত অনিৰুদ্ধ-চৰিতৰ (৩৯-৪৬ পদ) লগত হুবহু মিলে; গতিকে এওঁক আমি মায়ামৰা সম্প্ৰদায়ৰ গুৰি অনিৰুদ্ধ কায়স্থ বুলি নিঃসন্দেহে ধৰিব পাৰোঁ। অনিৰুদ্ধৰ পিতাক গণ্ডাদেৱ, মাক আজলী; "চন্দ্ৰ বেদ ঘোৰ বাণ, শকে ভৈলা জন্ম তান, পঞ্চদশ দিনে বৈশাগত। শুকুলা নৱমী তিথি, সৰ্ব শুভ গ্ৰহ দৃষ্টি, গুৰুবাৰে ভৈলন্ত বেকত॥ ৫৬।" তেন্তে ১৪৭৫ (১৫৫৩ খৃঃ) অনিৰুদ্ধৰ জন্ম শক ৰূপে পোৱা হয়।

"কোন গুৰু সংসাৰত কৰিবেক পাৰ। মনত বিচাৰি প্ৰভু কৰিলন্ত সাৰ॥
ভৱানীপুৰত আছে শ্ৰীমন্ত গোপাল। তাহান পাশক গৈলে মোৰ হৈবে ভাল॥
গোপালেও বুলিলন্ত দেখি বিচক্ষণ। আহান পাৱত লোকে লৈৱন্ত শৰণ॥
অন্যত্ৰ শাস্ত্ৰৰ পথ কৰিয়া নিৰোধ। ভকতিৰ পথে মাত্ৰ কৰিবেক বোধ॥
এতেকেসে আন নাম হৈব অনিৰুদ্ধ। সমস্ত শাস্ত্ৰৰ প্ৰচাৰিব গূঢ় তত্ত্ব॥"

গোপাল আতাৰ সৈতে তিনি বছৰমান থকাৰ পাছত অনিৰুদ্ধ ঘৰলৈ উলটিব খোজাত আতাই বৰ দুখ পালে; ধৰ্ম-আচাৰ্য্য পাতিব খোজাতো অনিৰুদ্ধে জনালে বোলে পিতাকে তেওঁৰ ওপৰত লবীমপুৰ, বিহপুৰ, নাৰায়ণপুৰ, ঢলপুৰ, নাগপুৰ আৰু কলংপুৰ এই "পঞ্চপুৰ"ৰ শাসন-ভাৰ দিয়া বাবে তেওঁ সেই কাযো কৰিব নোৱাৰে। যি হওক, শেষত অনিৰুদ্ধই গুৰু-ভাৰ গ্ৰহণ কৰিলে।

অনিৰুদ্ধ ঘূৰি আহি জয়ে জয়ে নিজ পিতৃ-মাতৃক শৰণ দি ঢেলি নামৰ মুছলমান কাজিৰ অনুৰোধ ক্ৰমে তেওঁক শৰণ দিয়া কাহিনী অনিৰুদ্ধ-চৰিতে জীৱন্তভাৱে বৰ্ণাইছে (১১৯—১২১)—

"ইটো ঢেলি দৰ্জিয়ে যে পশিলা শৰণ। ধ্যানপতি নাম তাক দিলা গুৰুজন॥
সেহি দিন ধৰি ঢেলি বৰা হিন্দু ভৈল। আহমেৰৰ মধ্যে তাহাক ৰাখিল॥

অদ্যাপি তাহাৰ বংশ আছয় ঐহিত। ঢেলি ৰবা ঘৰ বুলি সৰ্বত্র বিদিত ॥
পঞ্চদশ শত ত্রয়োবিংশ মাঘ মাস। সেহি দিন হন্তে ধৰ্ম্ম কৰিলা প্ৰকাশ ॥”

১৫৪৮ শকৰ (১৬২৬ খৃঃ) ১১ পুহ সোমবাৰে শুক্লা একাদশী তিথিত অনিৰুদ্ধৰ মৃত্যু হয়; কিন্তু বৈষ্ণৱ কবি ধৰ্ম্মচাৰ্য্যৰ কীৰ্ত্তিৰ বাহিৰেও অনিৰুদ্ধ অসমৰ বুৰঞ্জীত আন প্ৰকাৰেও শোণিত জ্যোতিৰে চিৰকাল জিলিকি থাকিব; অসমৰ বুৰঞ্জীত একেটি লেখৰ ঘটনা আৰু একমাত্ৰ গৌৰৱপূৰ্ণ জন-আন্দোলন, মহাপুৰুষীয়া ধৰ্ম্মৰ একমাত্ৰ ক্ৰুছেদ বা ধৰ্ম্মযুদ্ধৰ জয়-জয়ঙ্কাৰ যুগ-যুগান্তৰলৈ ঘোষণা কৰি দিগ্ দিগন্তলৈ একশৰণ ধৰ্ম্মৰ বিজয়-পতাকা উৰোৱা যি মায়ামৰা আন্দোলন, তাৰ জনক-জননী এই অনিৰুদ্ধই। কিন্তু দুৰ্ভাগ্যক্ৰমে পতনমুখী অসমীয়া জাতিয়ে “আদি-চৰিত” নামৰ এখন দুষ্ট “জাল” পুথিৰ অপপ্ৰচাৰ আদিৰে এই পৱিত্ৰ ধৰ্ম্মৰ নামত ছাই সানি, অনিৰুদ্ধক চোৰ-প্ৰবঞ্চক পাতি অসমীয়া জাতিৰ গৌৰৱ স্বৰূপ মায়ামৰাসকলক “মোৱামৰীয়া” আদি নিন্দাসূচক নাম দি নিজৰ ধ্বংস নিজে চপাই আনিছিল। মায়ামৰা নামৰ অৰ্থ অতি মনোৰম; পঞ্চপুৰৰ শাসন-ভাৰ পিতাকে অনিৰুদ্ধৰ ওপৰত জাপি দিয়া বাবে তেওঁ আচাৰ্য্য বা গুৰুৰ ভাৰ লব নোৱাৰে, ইয়াকে ভক্তিৰসৰ ৰসিক অনিৰুদ্ধই গোপালক এইদৰে জনালে “মধুমতী মায়া শিৰে চৰি আছে মোৰ। নপাৰোঁহোঁ এহি বাক্য কৰিবে গুৰুৰ ॥” উত্তৰত “কথাৰ সাগৰ” গোপাল আতাই কলে, “মধুমতী মায়াৰ শিৰত তুমি চৰি। মৰ্দ্দিয়া মায়াক থাকা ধৰ্ম্মক আচৰি ॥ ১০৪।” এই বাবেই যে অনিৰুদ্ধৰ প্ৰচাৰিত ধৰ্ম্ম-সম্প্ৰদায়ক মায়ামৰা সম্প্ৰদায় বোলে, তাত সন্দেহ নাই।

অনিৰুদ্ধৰ ভাগৱত আৰু মহাভাৰতৰ ভাঙনি ষোড়শ শতিকাৰ শেষ ভাগত নহলে সপ্তদশ শতিকাৰ আগভাগত লিখা। অনিৰুদ্ধ-চৰিতৰ পাতনি-লেখক ৰজনীকান্ত বৰদলৈৰ মতে “ধৰমৰ গীত” পুথিত অনিৰুদ্ধৰ গীতৰ লেখ ১৮২ আৰু মাধৱদেৱৰ নামঘোষাৰ দৰে আৰু তোটয় ভটিমা আদিৰে অনিৰুদ্ধই “ভক্তি-মঙ্গল” বোলা আৰু এখন পুথি লিখিছিল। এই পুথিৰ আমি সম্পাদনা কৰিছোঁ, এতিয়াও ছপা হোৱা নাই। মহাভাৰতৰ সভাপৰ্ব্বৰ ভাঙনি এটিতো অনিৰুদ্ধৰ নাম আছে; অতি সম্ভৱ, তেওঁ অনিৰুদ্ধ দ্বিজ বা ৰাম সৰস্বতী নহয়। শঙ্কৰদেৱ-মাধৱদেৱ দুয়ো অনিৰুদ্ধৰ সম্বন্ধীয়া আৰু শঙ্কৰদেৱৰ তিৰোভাৱৰ কালত অনিৰুদ্ধ পোন্ধৰ বছৰীয়া লৰা; গতিকে মহাপুৰুষ দুজনাৰ লগত এওঁৰ

বিৰোধ কেৱল কাৰোবাৰ হিংসামূলক অপপ্ৰচাৰ। অনিৰুদ্ধ-চৰিতত মাধৱে শঙ্কৰক পৰা আৰু অনিৰুদ্ধই মাধৱৰ পৰা কল্পতৰু শাস্ত্ৰ এখন পোৱা বুলি আছে; দুষ্ট "আদি-চৰিতে" তাকে শঙ্কৰদেৱৰ পৰা "ধাতু-তাম্ৰক্ষৰী" পুথি অনিৰুদ্ধই চুৰ কৰা বুলিব পাৰে।

**বৈকুণ্ঠনাথ** ( ১৫৫৮—১৬৩৮ ? খৃঃ ) অসমৰ বৈষ্ণৱ আকাশৰ এই শাৰদী দীপাৱলীৰ শেষত জ্বলা অন্যতম উজ্জ্বল নক্ষত্ৰ। এওঁ কবি সৰস্বতীৰ দ্বিতীয় পুতেক আৰু চন্দ্ৰ ভাৰতীৰ নাতিয়েক; ঘৰ বৰনগৰৰ ভেৰা গাঁৱত। ভট্টদেৱ, কবিৰত্ন, ভাগৱত ভট্টাচাৰ্য্য আদি এওঁৰ উপাধি। ৰামচৰণে লিখিছে "বৈকুণ্ঠনাথ নামে ব্ৰাহ্মণ একজন। আছিলন্ত নগৰত পৰম গহন॥ বিখ্যাত পণ্ডিত হন্ত তান্ত্ৰিক ব্ৰাহ্মণ। দেশ মধ্যে গণ্য-মান্য জানে সৰ্ব্বজন॥ ৩১১১॥" বামুণ হৈ শঙ্কৰদেৱৰ ধৰ্ম্ম ধৰাৰ বিৰুদ্ধে, মাধৱে শঙ্কৰৰ লগত তৰ্ক কৰা দৰে, এওঁ দামোদৰৰ লগত তৰ্ক কৰে; আৰু তৰ্কত পৰাস্ত কৰিব নোৱাৰি গয়াপানিয়ে মাধৱক নিয়া দৰে দামোদৰে বৈকুণ্ঠক শঙ্কৰদেৱৰ ওচৰলৈ নিয়ে; আকৌ মাধৱৰ দৰেই বৈকুণ্ঠবো শঙ্কৰদেৱক দেখা মাত্ৰই মন্ত্ৰ-মুগ্ধ সাপৰ দৰে মূৰ দোঁ খালে: "মিনতি মাতেৰে বিপ্ৰে মাতিলন্ত পাছে॥ বহু অপৰাধ মই নজানি কৰিলোঁ। নিন্দাবাদ কৰি মই অধোগামী হৈলোঁ॥ ৩১৩১। দেখিলোঁ সাক্ষাতে আৱে মহা ভাগৱত। দিয়া উপদেশ মোক মজিলোঁ গৰ্ব্বত॥ এহি বুলি কৰযোৰে শৰণ মাগিল। হেন দেখি গুৰু হাসি সমিধান দিল॥ ৩১৩২। এহি বুলি দামোদৰে আদেশ কৰিল। শৰণ দিয়োঁহা বুলি বাক্যক বুলিল॥ ৩১৩৩। শুনি ভট্টদেৱে বোলে দুখ মন কৰি। কৃতাৰ্থ হৰোঁহোঁ ধৰ্ম্ম তযু পাশে ধৰি॥ দিয়া বাপ নিজে তুমি শৰণ আমাক। এহি বুলি কৰযোৰে বুলিলন্ত বাক॥ ৩১৩৪। গুৰু বোলে আত কিছু নকৰা সন্দেহ। যোৰে দামোদৰে ভিন্ন নাহি মাত্ৰ লেশ॥ ৩১৩৫। গুৰু আজ্ঞা পাই দামোদৰ মহামানী। ভট্টদেৱে দিলা ধৰ্ম্ম মহাজ্ঞানী জানি॥ ৩১৩৬।"

যেনেকৈয়ে হওক, বৈকুণ্ঠনাথৰ কথা-ভাগৱতৰ ৰচনাৰ বাবে যে আমি দামোদৰদেৱৰ ওচৰত বিশেষ ঋণী, সেই কথা স্বীকাৰ কৰিবই লাগিব। চিলা-ৰায়ৰ পুতেক ৰঘুদেৱ ( ১৫৮১—১৬০৩ খৃঃ ) দুকোৱাত সোণকোষৰ পূব পাৰৰ কোচ ৰাজ্যত এওঁৰ পুতেক পৰীক্ষিত নাৰায়ণ (১৬০৩—১৩ খৃঃ) ৰজা হয়। ৰাজ-পাটত উঠিয়েই তেওঁ বৈষ্ণৱসকলক উৎপীড়ন কৰিবলৈ আৰম্ভ কৰে আৰু বলি-বিধান

আদি নমনাৰ বাবে দামোদৰদেৱক ধৰাই নি এবছৰৰ ভিতৰত তেওঁক ৰাজ্য এৰি যাবলৈ আদেশ দিয়ে। সেই ৰাজ্যত থকা পাটবাউসী সত্ৰ বৈকুণ্ঠনাথক গতাই দি দামোদৰদেৱে, ৰামৰায় দাসৰ গুৰুলীলা মতে, কলে —“আৰু এক জগত-ঈশ্বৰ আজ্ঞা ধৰা। কথাবন্ধে এক খণ্ড ভাগৱত কৰা॥ পূৰ্ব্বে মহাপুৰুষে কৰিলে দশ স্কন্ধ। কীৰ্ত্তন ভটিমা ছৰি তুলড়ী সুছন্দ॥ তাত কৰি সুগম কৰিয়ো ভাগৱত। স্ত্ৰী-শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত॥৩৩৯।” “প্ৰভু দামোদৰৰ আজ্ঞায়ে মহা সন্ত। শ্লোক ভাঙ্গি ভাগৱত কথা কৰিলন্ত॥ অবিৰোধে স্ত্ৰী-শূদ্ৰ চণ্ডালে পঢ়য়। সংক্ষেপিয়া কথা ৰূপে কৈলা মহাশয়॥৯৪২।” নৰনাৰায়ণৰ ( ১৫৪০—৮৪ খৃঃ ) পুতেক লক্ষ্মীনাৰায়ণৰ ( ১৫৮৪—১৬২২ খৃঃ ) ৰাজ্য সোণকোষৰ পশ্চিম পাৰে ; তালৈ যাবলৈ বুলি পাৰ হওঁতেই বৈকুণ্ঠনাথে দামোদৰক তেওঁৰ প্ৰথম কথা-ভাগৱত দেখুৱায়। মূল পুথিৰ লগতে টীকা-টিপ্পনিবোৰৰো ভাঙনি কৰাত পুথিখনৰ আকাৰ বৰ ডাঙৰ হব দেখি দামোদৰদেৱে কলে, “কিন্তু এতখানি বহু কথা ভৈলে পথিও হইবে বৰ। বাহ্ৰয় স্কন্ধৰ কথাক লিখিতে লাগিবে পাত বিস্তৰ॥ এতেকে ইয়াক কহিতে নপাৰি নকৰিবে কেহোঁ যত্ন। সংক্ষেপ কৰিয়া সাৰ মাত্ৰ লৈয়া কৰা কথা কৰিবন্ত॥২২৫।” ইয়াকে কৈ দামোদৰদেৱ কোচবেহাৰলৈ গল আৰু বৈকুণ্ঠনাথ পাটবাউসীলৈ উলটি আহি চাৰি বছৰ মানৰ ভিতৰত কথা-ভাগৱত সমাপ্ত কৰে। কথা-গীতাৰ পাতনিত হেমচন্দ্ৰ গোস্বামীয়ে, গেইটৰ বিপৰীতে, ৰঘুদেৱৰ মৃত্যু আৰু পৰীক্ষিত নাৰায়ণৰ ৰাজ্যাভিষেক ১৫৯৩ খৃঃ ধৰি ১৫৯৭খৃঃৰ ভিতৰত কথা-ভাগৱত ৰচিত হৈছিল বুলিছে ; কিন্তু গেইটৰ মত নিয়মিতৰূপে খণ্ডন নকৰাকৈ এই নতুন মত ধৰাটো বিজ্ঞানসম্মত নহয়।

“শ্ৰীশ্ৰীমদ্ভাগৱতকথা। প্ৰথম স্কন্ধ, প্ৰথমোঽধ্যায়ঃ। সূতৰ প্ৰতি শৌনকাদিৰ প্ৰশ্ন। কথা :—জয় জয় শ্ৰীকৃষ্ণ বিষ্ণু দৈৱকীনন্দন পৰমানন্দ গোবিন্দ যো জগত-ঈশ্বৰ পুৰুষোত্তম সকল লোকক কৃপায়ে অৱতৰি বহুবিধ লীলা কয়ল, সেই গোপ-বেশ নন্দ-নন্দন চৰণে সহস্ৰ কোটিবাৰ প্ৰণাম কৰোঁ। যাৰ নাম পাপ-হৰ পৰম মঙ্গল মুক্তিদায়ক, তাহান চৰিত্ৰ শ্ৰীভাগৱত শাস্ত্ৰ দ্বাদশ স্কন্ধ তিনি শত পঞ্চত্ৰিংশ অধ্যায় তাহাৰ কথা বন্ধে কিছো নিবন্ধিতে চাঞো। যদ্যপি অল্পমতি তথাপি শ্ৰীদামোদৰৰ আজ্ঞায়ে সন্তসৱৰ অনুমোদনে টীকাভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিবন্ধো। প্ৰথমে প্ৰথম স্কন্ধ কহোঁ : বিশ্ব-সৃষ্টি আদি নৱ লক্ষণে লক্ষিত জগতৰ পৰম আশ্ৰয় শ্ৰীকৃষ্ণক নমো। বেদব্যাস ঋষি প্ৰথমে নানা শাস্ত্ৰ কৰিলা, তথাপি

মন প্ৰসন্ন নভৈল ; পৰম খেদত শ্ৰীনাৰদৰ উপদেশে শ্ৰীভাগৱত কৰিতে শাস্ত্ৰৰ প্ৰতিপাদ্য পৰমেশ্বৰক চিন্তন্ত, যাহাতে মিছা প্ৰপঞ্চ প্ৰকাশে, যাত হন্তে জগতৰ সৃষ্টি স্থিতি সংহাৰ হয়। প্ৰকৃতি-পুৰুষত পৰ ব্ৰহ্মাৰো জ্ঞানদাতা সত্য সৰ্ব্বজ্ঞ তাহাঙ্ক চিন্তঞো। সকল শাস্ত্ৰত কৰি শ্ৰীভাগৱত শ্ৰেষ্ঠ, যাক শ্ৰীনাৰায়ণে কহিছা, যাত কহে পৰম ধৰ্ম্ম কেৱল হৰি ভজন, মোক্ষতো কৰি শ্ৰেষ্ঠ, ব্ৰহ্মজ্ঞান অযত্নে হয়, পৰম সুখ দেই, তিনি তাপ হৰে। ...হেন জানি সামাজিকসৱ, শ্ৰীভাগৱত সাৱধান মনে নিত্য শ্ৰৱণ-কীৰ্ত্তন কৰা, প্ৰথমে ডাকি হৰি বোল হৰি।”

এই গদ্য শঙ্কৰদেৱ-মাধৱদেৱৰ গদ্যৰ অন্ততঃ পাঁচকুৰি বছৰৰ পিছত, কিন্তু ইয়াত অকল কীৰ্ত্তন-নামঘোষাৰ ভাবৰ প্ৰতিধ্বনিকেহে যে শুনা হয় এনে নহয়, সেইসকলৰ অঙ্কলেখনৰ ভাষা আৰু লালিত্যৰ প্ৰতিধ্বনিও সুন্দৰকৈ শুনিবলৈ পোৱা হয়। ৰামৰায়ৰ গুৰু-লীলামতে “প্ৰভুৰ আজ্ঞায়ে বাহু স্কন্ধ ভাঙ্গি কথা ৰূপ কৰিলন্ত॥ গীতা-ৰত্নাৱলী কথা ৰূপে তাকো কৰিলন্ত বিৰচন। স্ত্ৰী-শূদ্ৰ শিশু সমস্তে বুঝয়, পঢ়ন্তে নাহি দূষণ॥ ৯২৭॥” কথা-ৰত্নাৱলীৰ উল্লেখ বিশেষ নাই ; কিন্তু কথা-গীতাৰ বিষয়ে নীলকণ্ঠই লিখিছে, “কবিৰত্নদেৱে গীতা শাস্ত্ৰক বাখানি। কথা-বন্ধে নিবন্ধিলা পুস্তকক আনি॥ অৰিহণা সমে কথা ভক্ত হাতে দিলা। দামোদৰদেৱৰ কাষক পঠাইলা॥ ৬১৯। পাটবাউসীৰ ভক্ত বেহাৰক যায়। প্ৰণমি সন্দেশ দিলা দামোদৰ ঠাই॥ ধনৰ টুপলি পুস্তকক দেখিলন্ত। হাসি দামোদৰে পুথি মেলি চাহিলন্ত॥ ৬২০। দেখন্ত গীতাৰ কথা পৰম শোভন। শুনিলে অৰ্থক বুজে যত মূঢ়গণ॥ ৬২১।” কথা-সাত্বত তন্ত্ৰ এখনিও বৈকুণ্ঠনাথে লিখিছিল বুলি কয়, তাৰ উল্লেখো চৰিতত পোৱা নাই। কিন্তু ভক্তিসাৰ, ভক্তিবিৱেক আৰু শৰণ-সংগ্ৰহ নামৰ সংস্কৃতত লিখা তিনিখন পুথি পোৱা হৈছে। প্ৰসঙ্গ-মালা আৰু-গুৰুবংশাৱলী বুলি অসমীয়াত দুখন পদ-পুথিও বৈকুণ্ঠনাথে লিখে, কিন্তু এনে লেখৰ নহয়।

“কথা-গীতা। প্ৰথম অধ্যায়। ধৃতৰাষ্ট্ৰে সঞ্জয়তে প্ৰশ্ন কৰন্ত। হে সঞ্জয়, মোৰ পুত্ৰসৱ পাণ্ডুপুত্ৰসৱো ধৰ্ম্মভূমি কুৰুক্ষেত্ৰত যুদ্ধক মিলিত হুয়া কি কৰ্ম্ম কৰিলা মোত কহা।...সঞ্জয়ে বোলন্ত, বোলা ৰাজা, অৰ্জ্জুনৰ এই বাক্য শুনি শ্ৰীকৃষ্ণে সকল ৰাজাৰ মাঝত ভীষ্ম দ্ৰোণ সম্মুখত দুই সেনাৰ মধ্যত উত্তম ৰথ ৰাখি বুলিলা : হে পাৰ্থ, কুৰু বীৰসৱক চক্ষু মেলি দেখা। তাত অৰ্জ্জুনে পিতৃব্য-পিতামহ আচাৰ্য্য-মাতুল ভ্ৰাতৃ-ভ্ৰাতৃপুত্ৰ পৌত্ৰ-সখী শশুৰ-সুহৃদ সৱ দুয়ো সেনাত দেখিলা।

সেইসকল বন্ধুসৱ যুদ্ধক ইচ্ছাই সম্মুখে থাকিবাৰ দেখি পৰম কৃপায় ব্যাপ্ত হুয়া মহাদুখখ পায়া কুন্তিপুত্ৰ অৰ্জ্জুনে শ্ৰীকৃষ্ণক এই বাক্ বুলিলা, হে কৃষ্ণ, এই জ্ঞাতিসৱ যুঝিবে ইচ্ছায়ে যুদ্ধত উপস্থিত দেখি মোৰ কৰ-চৰণাদি ভাগি যাই, মুখো শুখাই, শৰীৰো কাম্পে, ৰোমো সিঁহৰে, গাণ্ডীৱ ধনু হাতৰ খসি পড়ে, চৰ্ম্মো তাপ কৰে। আছোক যুঝিম, আগত থাকিতে নপাৰোঁ, মনে মহাভ্ৰম হয়, বিমঙ্গলসৱো দেখোঁ, উপৰত শগুণ ফুৰে, শৃগালে আৱাৱ কৰে। যুদ্ধত স্বজনক বধি কিছো ফল নেদেখোঁ, বিজয়কো, আকাঙ্খা নকৰোঁ, ৰাজ্যকো ইচ্ছা নকৰোঁ, সুখকো নবাঞ্ছো। হে গোবিন্দ, আমাৰ ৰাজ্যভোগত জীৱনত কি প্ৰয়োজন। যি বন্ধুসৱৰ অৰ্থে আমাৰা ৰাজ্যভোগ সুখক ইচ্ছা কৰি, সি বন্ধুসৱ প্ৰাণ-ধন ত্যাগক অঙ্গীকাৰ কৰি যুদ্ধত উপস্থিত হুয়া আছে, তাক শুনা…মঞি অস্ত্ৰ নধৰি মৌনে ৰহো, তেৱে যদি দুৰ্য্যোধনাদি অস্ত্ৰ ধৰি মোকে বধে, তেৱে মোৰ মহাপ্ৰিয় হয়, যাতো পাপ নিসিজিব। সঞ্জয়ে কহন্ত, জানা ৰাজা, যুদ্ধৰ সম্মুখত অৰ্জ্জুনে এই বাক্য বুলি ধনু-শৰ এড়ি শোকে কম্পিত হৈয়া ৰথৰ উপৰতে বসিলা।"

কথা-গীতাৰ পাতনিত হেমচন্দ্ৰ গোস্বামীয়ে বৈকুণ্ঠনাথৰ কাল ১৫৫৮—১৬৩৮ খৃঃ আৰু দামোদৰদেৱৰ কাল ১৪৮৮—১৫৯৮ খৃঃ বুলি থিৰ কৰিছে; বুৰঞ্জীৰ লগত যে এই কাল অন্ততঃ দুহ বছৰৰ অমিল হয়, তাক আগতে উল্লুকিয়াই অহা হৈছে। গোস্বামীয়ে ১৫৯৭ খৃষ্টাব্দত কথা-ভাগৱত ৰচা শেষ হোৱা বুলিব খোজে; ইফালে নীলকণ্ঠৰ মতে দামোদৰে কথা-গীতাখনি চাবলৈ পাইছিল; তেতিয়া হলে কথা-ভাগৱত ৰচনালৈ চাৰি বছৰ কাল দিলে কথা-গীতা ৰচনালৈ এবছৰ কালো নাথাকে। সি যি হওক, কথা-গীতাৰ গদ্য স্বভাৱতে এতিয়া বৈকুণ্ঠনাথৰ পৈণত হাতৰ, আৰু সৰহ নহলেও কথা-ভাগৱত ৰচনাৰ চাৰি-পাঁচ বছৰৰ পাছৰ; গতিকে স্বভাৱতে ই কথা-ভাগৱতৰ ৰচনাতকৈ অধিক নিমজ। যেনেকৈয়ে হওক, আন আন বিষয়ৰ দৰেই শঙ্কৰদেৱেই অসমীয়া গদ্যৰো জনক-জননী যে সন্দেহ নাই; বৈকুণ্ঠনাথৰ অৱদান এয়ে যে তেওঁ জয়ে জয়ে তাক নাটকৰ চাৰি বেৰৰ ভিতৰৰ পৰা উলিয়াই আনি স্বাধীন দাৰ্শনিক গ্ৰন্থ আৰু মুকলি ৰচনাৰ বাহন ৰূপে ব্যৱহাৰ কৰি আৰু নানা কাৰ্য্যৰ উপযোগীকৈ ভৱিষ্যত অসমীয়া সাহিত্যৰ বাবে এৰি গৈছে। স্ৰজনমূলক প্ৰতিভাৰ কলাকাৰ ৰূপেও বৈকুণ্ঠনাথেই বৈষ্ণৱ যুগৰ অন্তিম জ্যোতিষ্ক নিশ্চয়।

**নৱ জন্মৰ বৈষ্ণৱ সাহিত্যৰ জোৱাৰৰ সামৰণি।** অসমীয়া বৈষ্ণৱ

সাহিত্যৰ বুৰঞ্জী স্বৰূপাৰ্থত শঙ্কৰদেৱৰ বিস্তৃত জীৱনী মাত্ৰ। ইয়াৰ বিপুল বপু আৰু অসীম শক্তি, একোতে ইয়াৰ যিজনি সহজে নোলায়; এই বাবে সদায় ইংলণ্ডৰ এলিজাবেথ যুগৰ সাহিত্যৰ লগত ইয়াৰ তুলনা কৰা হৈছে; কিন্তু অসমৰ সাংস্কৃতিক, সামাজিক আৰু জাতীয় জীৱনৰ লগত বৈষ্ণৱ সাহিত্যৰ সম্পৰ্ক যিমান দলৈ শিপোৱা, ইংলণ্ডৰ লগত এলিজাবেথৰ যুগৰ সাহিত্যৰ সম্বন্ধ কোনোমতে তেনে গভীৰ বুলিব নোৱাৰি। সচাঁকৈয়ে অসমীয়া জাতিৰ বহুমুখী জীৱনৰ কাৰ্য্যশক্তিৰ একেটি উৎস, কম্পন-কেন্দ্ৰ—শঙ্কৰদেৱ। পঞ্চদশ শতিকাৰ মাজছোৱাৰ পৰা বৈষ্ণৱ যুগৰ আৰম্ভ ধৰা হৈছে, সি সম্পূৰ্ণ সঠিক নহয়; কিয়নো কেছুজালি দিয়া উৰা সময়ৰ পৰাই যদি দিন হয়, তেন্তে দ্বাদশ শতিকা কিয়, সম্ভৱ চতুৰ্থ শতিকা মানৰ পৰাই ইয়াৰ ভুমুকি ধৰিব লাগিব। শঙ্কৰদেৱৰ দুশ বছৰৰ শেষত ইয়াৰ সামৰণি ধৰা হৈছে, সিও অসম্পূৰ্ণ; কিয়নো বেলিৰ শেষ কিৰণ মাৰ নোযোৱালৈকে যদি দিন হৈ থাকে, তেনেহলে উনবিংশ বা বিংশ শতিকা কিয় আৰু কিমান কাললৈকে বৈষ্ণৱ যুগৰ জিলিঙনি পৰি থাকিব তাক এতিয়াই কোৱা টান। মুঠতে সাহিত্যত কি, সামাজিক বা জাতীয় জীৱনত কি, বৈষ্ণৱ ধৰ্ম তথা শঙ্কৰদেৱৰ পৰা অসমীয়াক ছিন্ন কৰিব পৰা কোনো আন্দোলন এতিয়ালৈকে ঘটা নাই আৰু সহজে ঘটিবৰ সম্ভাৱনাও তাকৰ। ইয়াৰ কাৰণ বহুতো। পোনতে, আৰবীয় উপন্যাসৰ কাহিনীৰ দৰে অসমীয়া জন-গণৰ হৃদয়ৰ "দুৱাৰ মেল" মন্ত্ৰ জানিছিল একমাত্ৰ শঙ্কৰদেৱে; দুনাই সেই মন্ত্ৰ আৰু কোনেও মাতিব জনা নাই; এই বাবেই শিৰোমণি পণ্ডিতৰ পৰা নিৰক্ষৰ হজুৱা-বাটকৱালৈকে, বুঢ়া-বুঢ়ীৰ পৰা লৰা-ছোৱালীলৈকে, চিৰকাল অসমীয়া জাতিৰ বেদব্যাস কেৱল শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰামসৰস্বতীসকল। দ্বিতীয়ত, কৌটি-কলীয়া কাপৰে ধৰা আধ্যাত্মিক আমোলা-তন্ত্ৰৰ অন্যায়-অত্যাচাৰ, "ভণ্ডামি-বুজ্‌ৰুকি" আৰু পাপ-কপটতাৰ লবাৰ-চবাৰ নোৰৰা গধুৰ শিলছটা সমাজৰ বুকৰ পৰা গুচিয়াই পেলাই এই পৱিত্ৰ আত্ম-শুদ্ধিৰ ধৰ্মই সমাজক যি সকাহ লাভ কৰালে, তাৰ বাবেও তেওঁলোকত যাউতি-যুগীয়াকৈ কৃতজ্ঞতাৰ পাশত বান্ধ খাই থাকিল। তৃতীয়ত, ৰাজনৈতিক ক্ষেত্ৰত ফৰাছী বিপ্লৱে যি সাম্য-মৈত্ৰী-স্বাধীনতাৰ বাণী ঘোষণা কৰিছে, তাৰ কেইবা শ বছৰৰ আগতে ভাৰতত বৈষ্ণৱ ধৰ্মই আধ্যাত্মিক ক্ষেত্ৰত সেই বাণী ঘোষণা কৰি জন-গণৰ প্ৰাণত তোলা অভূতপূৰ্ব আন্দোলনৰ হোন্দোলনি শ শ বছৰতো গুচা নাই। জন্মৰ দ্বাৰা

মানুহ মাত্ৰেই পৰস্পৰ সমান, এক ঈশ্বৰৰ সন্তানৰূপে আটায়েই ভাই-ভাই, আৰু সেইবাবেই কোনো কাৰো অধীন নহয়, এনে অভিনৱ বাণীয়ে সদৌ অসমীয়াক চিৰকাললৈ উল্লসিত কৰাত এই আন্দোলনৰ যোগেইহে অসমীয়া জাতিয়ে জয়ে জয়ে সৰ্বভাৰতীয় চৈতন্য লাভ কৰিছিল।

এলিজাবেথৰ যুগৰ ইংৰাজী সাহিত্যৰ দৰেই শঙ্কৰী যুগৰ অসমীয়া সাহিত্য নিশ্চিতভাৱে যোগাত্মক; কোনো বিষাদ, অৱসাদ বা সন্দেহবাদৰ বাবে ইয়াত ঠাই নাই। এই যুগৰ লেখত প্ৰত্যেকখন বৈষ্ণৱ গ্ৰন্থৰ প্ৰত্যেক শাৰীয়েই আশাবাদ আৰু আনন্দবাদৰ বাণীৰে পৰিপূৰ্ণ; ইয়াৰ মতবাদ সুস্পষ্ট, আৰু লক্ষ্য সুস্থিৰ। এলিজাবেথ যুগৰ সাহিত্যৰ লগত পাৰ্থক্য ৰূপে কব পাৰি, শঙ্কৰী সাহিত্যৰ পৰা তিনিটি অনন্তলৈ বাট; প্ৰথমটি কৰ্মৰ অনন্ত, দ্বিতীয়টি মানসিক অনন্ত, আৰু তৃতীয়টি আধ্যাত্মিক অনন্ত। শঙ্কৰদেৱ-মাধৱদেৱ আদিয়ে প্ৰচলিত প্ৰবল বিৰুদ্ধ মতবাদৰ সন্মুখত যি প্ৰচাৰ কাৰ্য্য চলালে সি তেওঁলোকৰ কৰ্মৰ অনন্তৰ সঙ্কেত দিয়ে; অঙ্ক, গন্থ, বৰগীত আদি অভূতপূৰ্ব সৃজনমূলক প্ৰতিভাৰ দ্বাৰা উদ্ভাৱিত সাহিত্য আদিয়ে মানসিক অনন্তৰ নিদৰ্শন তুলি ধৰে; আৰু বৈষ্ণৱ ধৰ্মৰ অপূৰ্ব দৰ্শন, তত্ত্ব আৰু তথ্যৰাশিয়ে আধ্যাত্মিক অনন্তৰ সহাৰি দিয়ে।

সমাজৰ মজলীয়া আৰু তল খাপৰ বোলা সকলে মূৰ তুলি উঠাও ইংলণ্ডৰ এলিজাবেথৰ যুগৰ দৰে অসমৰ বৈষ্ণৱ যুগৰ এটা বিশেষ লক্ষণ; প্ৰভেদ এয়ে, ইংলণ্ডৰ জন-গণৰ সেই জাগৰণ সাহিত্যত প্ৰতিফলিত হৈছিল, কিন্তু অসমৰ এই উত্থান বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ প্ৰচাৰৰ ফল যে আছিল মায়ামৰা জন-আন্দোলনেই আকৌ তাৰ নিদৰ্শন। সুবিধা-ভোগীবিলাকৰ সুবিধাই ধৰ্ম আৰু তেওঁলোকৰ মুখৰ কথাই বেদ বুলি এতিয়া কোনেও নমনা হল; কিয়নো বেদ-পুৰাণৰ সকলো কথা পানী যেন কৰি বৈষ্ণৱ প্ৰচাৰসকলে এওঁলোকক এতিয়া যুক্তি-বিচাৰৰ সৈতে মিলাই বুজাই দিলে। নীতি-বিৰুদ্ধ আৰু যুক্তি-বিৰুদ্ধ আচৰণ ধৰ্ম বুলি ভুৱা দিব নোৱৰা কৰি এই আন্দোলনে মানুহৰ আত্ম-শুদ্ধিৰ আৰু পৱিত্ৰ জীৱন-যাপনৰ ওপৰত হেচা দিলে; ভাবুকি আৰু ভুৱা আঁতৰাৰ লগে লগে এই আন্দোলনে এফালে যেনেকৈ বিৰাট আকাৰ ধাৰণ কৰিলে, আন ফালে নীতি, যুক্তি আৰু আত্ম-শুদ্ধিত হেচা দিয়াৰ বাবে ই এনে অসীম শক্তি লভিলে যে তাৰ স্বাভাৱিক গতি সহজে এই পাঁচ শত বছৰেও ৰহিত হোৱা নাই। বৰ্তমান আৰু ভৱিষ্যত অসমীয়া সমাজৰ সঞ্জীৱনী শক্তিও এই ধৰ্মৰ প্ৰচাৰতে লুকাই আছে।

এই বৈষ্ণৱ আন্দোলনৰ যুগ স্বৰূপতে অসমৰ ৰেণেছেঞ্চ্ যুগ। চাইমণ্ডছৰ মতে ইউৰ'পীয় জাতিসমূহৰ মাজত মানৱ-প্ৰাণে আত্ম-চৈতন্যশীল স্বাধীনতা লাভ কৰাৰ যি ইতিহাস প্ৰকটিত হৈছে, সেয়ে ৰেণেছেঞ্চৰ বুৰঞ্জী ; স্বৰূপাৰ্থত ৰেণেছেঞ্চৰ অৰ্থ মুক্তিৰ নৱ জন্ম ; কাব্য-সঙ্গীত-চিত্ৰাঙ্কন আদিৰ যোগেদি বহিৰ্জগতৰ আৰু মানৱ-দেহৰ সৌন্দৰ্য্যৰ উপলব্ধি, বিজ্ঞানত যুক্তি-বিচাৰৰ মুক্তি, ধৰ্মত হিতাহিত বিবেচনাৰ জাগৃতি, বুদ্ধিত সংস্কৃতিৰ নৱস্থিতি আৰু ৰাজ-নৈতিক মুক্তিৰ মূল নীতিৰ ভেটি স্থাপন আদিৰ যোগেদি মানৱ জাতিৰ প্ৰাণে যেতিয়া আত্ম-চৈতন্য আৰু আত্ম-নিৰ্দ্ধাৰণৰ পুনৰ্প্ৰাপ্তি লাভ কৰে তাকেই ৰেণেছেঞ্চ্ বোলে। মাঘৰ শেষৰ বৰষুণ, ফাগুনৰ বিনন্দীয়া কুঁহিপাত আৰু আৰু চৰাইৰ ঠেও ধৰা মাত আদিত একেলগে দশোদিশৰ পৰা যেনেকৈ বসন্তৰ প্ৰাগমনৰ সঁহাৰি পোৱা হয়, অসমৰ এই ৰেণেছেঞ্চ বাতৰিও সেইদৰে অকল বৈষ্ণৱ সাহিত্যত নহয়, সেই কালৰ অসমৰ সামাজিক খৰ-লুটি, ৰাজনৈতিক যুদ্ধ-বাগৰ আদি সকলোৰে ভিতৰেদি মুঞ্জৰি উঠিছিল। ৰামস্বামীৰ মতে এই ইউৰপীয় ৰেণেছেঞ্চৰ লগত ভাৰতীয় ৰেণেছেঞ্চৰ মূলগত পাৰ্থক্য আছে ; ইউৰপৰ ৰেণেছেঞ্চৰ জন্ম হৈছিল তাৰ দেশান্তৰৰ মৃত সাহিত্যৰ পৰা, কিন্তু ভাৰতীয় ৰেণেছেঞ্চে ইউৰপীয় পুৰাণৰ ফীনিক্স চৰাইৰ দৰে নিজ দেশত নিজ ইচ্ছা অনুসাৰে পুনৰ্জন্ম লাভ কৰিছে। এই অৰ্থত বিচাৰিবলৈ হলে, যি গীতা-উপনিষদৰ অমৃত খৃষ্টপূৰ্ব দেড় হাজাৰ বছৰ মানৰ আগত সেই আৰ্য্য-ঋষি-সকলৰ মস্তিষ্ক-সমুদ্ৰ মন্থনৰ পৰা ওলাই পৰিছিল ; প্ৰায় তিনি হাজাৰ বছৰৰ লুপ্ত বা সুপ্ত অৱস্থাৰ ভিতৰেদি আকৌ প্ৰায় খৃষ্টাব্দ দেড় হাজাৰ বছৰৰ ভিতৰত সি নৱ-বৈষ্ণৱ আন্দোলন ৰূপে নকৈ উশাহ ললে।

**বৈষ্ণৱ সাহিত্যৰ অপৰিসীমতা।** অসমীয়া বৈষ্ণৱ সাহিত্য আকাশৰ দৰে উদাৰ আৰু সাগৰৰ দৰে গভীৰ। এই উদাৰতা আৰু গভীৰতা উপলব্ধি কৰিব নোৱাৰি ইয়াত ইতৰ ৰুচিৰ আহাৰ বিচাৰি নাপাই কোনোৱে তাকে খুত ধৰে। বৈষ্ণৱ সাহিত্যত লৌকিক কথা নাই বুলি আসোৱাহ ধৰা যেনে, বেলিৰ পোহৰত আন্ধাৰ নাই বুলি দায় ধৰাও তেনে ; মুঠতে ই "অৰসিকেষু ৰসস্য নিবেদনম্।" বৈষ্ণৱ সাহিত্যই ইতৰ সমাজৰ উন্নয়নৰ যত্ন কৰিছিল, আৰু তাৰ বাবে গীতা-ভাগৱত প্ৰভৃতি শাস্ত্ৰৰ মৰ্ম জন-গণক বিলাই দিছিল ; সেই বৈষ্ণৱ সাহিত্যই কালিদাসৰ ঋতুসংহাৰ, মেঘদূত, কুমাৰসম্ভৱ আদি বৈষয়িক

লৌকিক সাহিত্য ভাঙিবলৈ যাব বুলি আশা কৰাই বিচাৰ-বিপৰ্যয় নিশ্চয়। সৰহ নালাগে, স্বয়ং ভাগৱতৰ ভাঙনিতে পীতাম্বৰ দ্বিজই "কোন অঙ্গে খুন দেখি নাইলা যদুমণি" বুলি ৰুক্মিণীৰ বিলাপ বৰ্ণাওঁতেই গুৰুজনাই "আৰ গাইবাক নলাগয়। গৰ্ব পৰ্বতত সিটো উঠিয়া আছয়॥" "স্বভাৱে জানিলোঁ কাম-বশ্য সিটো জন।" বুলি তীব্ৰ নিন্দাবাদ কৰিছিল। সেই বৈষ্ণৱ সাহিত্যই উপলুঙা সমালোচকৰ চিত্ত-বিনোদনৰ বাবে কাম-ভাবৰ উদগনি দিব বুলি ভবা বিড়ম্বনা মাত্ৰ। মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ যথাযথ ভাঙনী কৰাত তাত মাধৱদেৱে ভক্তিৰ "জাঁচুফুল" বাচি সমাজৰ ব্যৱহাৰ উপযোগী কৰিলে; কিন্তু সিমানতো সন্তুষ্ট নহৈ অনন্ত কন্দলীয়ে বাধ্য হৈ ভক্তি-ৰসাপ্লুত নতুন ভাঙনী কৰিলে: এনে অৱস্থাত বৈষ্ণৱ যুগৰ বাণী বুজিব নোৱৰা লোকৰ বাবেহে বিৰূপ মন্তব্য সম্ভৱপৰ। দ্বিতীয় কথা, এই বৈষ্ণৱ সাহিত্যই জনগণৰ দুখ-সুখৰ কথা উপেক্ষা কৰিছে বুলি ভবাও বাস্তৱ সমীক্ষা নহয়, যিহেতুকে বৈষ্ণৱ আন্দোলনেই জন-গণৰ হকে মুখ তুলি উঠিছিল। দৃষ্টান্ত ৰূপে, দামোদৰ বিপ্ৰাখ্যানত বিপ্ৰ আৰু বিপ্ৰ-পত্নীৰ দাৰিদ্ৰ্য-ক্লিষ্ট যি চিত্ৰ অঁকা হৈছে আজিৰ অসমীয়া সাহিত্যত তাৰ তুলনা নাই। 'কাণখোৱা', 'ভীমচৰিত' আদিৰ যোগেও অসমীয়া দীন-দুখী জীৱনৰ আভাস আওপাকে হলেও পোৱা হয়। তৃতীয় কথা, শেষ কালত বৈষ্ণৱ সাহিত্য গতানুগতিক হৈ পৰিছিল বোলা অভিযোগে সমালোচকৰ সাহিত্য-বুৰঞ্জীৰ অভিজ্ঞতাৰহে সীমাবদ্ধতা বুজায়। জগতৰ সাহিত্যত এনে কোন যুগ আছে যি গতানুগতিক নোহোৱাকৈ চিৰ-কাল একেবাহে চলি আছে? সাহিত্যত 'যুগ' বোলাৰ অৰ্থ ই বা কি যদি আগৰ ভাবধাৰা লুপ্ত হৈ নতুনৰ প্ৰবৰ্তন নহল? বৰঞ্চ আচৰিত বুলিব লগা কথা আছিল এইটোহে যে যোৱা পাঁচশ বছৰেও অসমীয়া বৈষ্ণৱ সাহিত্য বাহি হোৱা নাই আৰু অন্ততঃ দুশ বছৰ কাল (শঙ্কৰদেৱৰ পৰা ভট্টদেৱলৈ) বিশেষ সৃজনী-শক্তিৰ বিকাশ দেখুৱাই এই সাহিত্য গতানুগতিক নোহোৱাকৈ চলিব পৰিছিল। মুঠ কথা, সাহিত্যৰ সমালোচনাৰ বাবে যি গভীৰ অনুভৱ আৱশ্যক তাক উপাৰ্জন কৰাৰ আগতে, কেৱল কেইখনমান কিতাপ চেলেং-পেতেংকৈ পঢ়ি হাতত লিখনী ললেই সাহিত্যৰ বুৰঞ্জী লিখা নহয়; সেইবোৰ জীণ নিয়াই তাৰ পৰা উপলব্ধি অৰ্জন কৰি সাৰ-তত্ত্ব উলিয়াব লাগিব।

---

# পুথি চাবি

## উত্তৰ নৱ-জন্ম যুগৰ অসমীয়া সাহিত্য

আগকথা। (ক) ৰাজনৈতিক সাৰাংশ। এই যুগ ভাৰতৰ প্ৰবল প্ৰতাপী মোগল সাম্ৰাজ্য আৰু অসমত মহা পৰাক্ৰমী আহোম ৰাজ্যৰ পতন, আৰু লগে লগে ভাৰতবৰ্ষত নতুন বৃটিশ্ সাম্ৰাজ্যৰ পাতনৰ কালৰ কাণ-সমনীয়া। ইয়াৰ ভিতৰতে পুৰণি কামৰূপ ৰাজ্যৰ পশ্চিম ছোৱাত কোচ ৰাজ্য আৰু পূব ছোৱাত চুটিয়া আৰু কছাৰী ৰাজ্যৰ চিন-চাব হেৰায়। অসমৰ সিংহাসনত চুৰাম্ফা বা ভগনীয়া ৰজা (১৬৪১-৪৪) আৰু চুতিন্‌ফা বা খোৰা বা নৰিয়া ৰজা (১৬৪৪-৮৮) বোলা দুজন নিশকতীয়া ৰজাৰ পাছত চুতাম্লা বা জয়ধ্বজ সিংহৰ ৰাজত্বতে এই যুগ মুকলি হয়। ১৬৫৮ত মোগল সম্ৰাট শ্বাজাহান নৰিয়া পৰে আৰু এই সুযোগতে দুইবো এই উমৈহতীয়া বৈৰীৰ পোতক তুলিবলৈ কোচ ৰজা প্ৰাণনাৰায়ণে আহোম ৰজা জয়ধ্বজেৰে মুঠ বান্ধিব খোজে, কিন্তু এওঁৰ পূৰ্বৰ চৰিত্ৰলৈ চাই জয়ধ্বজে এওঁক সাৰটি ধৰিব খুখুজিলে। আলমগীৰনামা মতে জয়ধ্বজে, কোচ আৰু মোগলৰ বিপক্ষে যুদ্ধযাত্ৰা কৰি কোচ ৰাজ্য অধিকাৰ কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণে ঢাকালৈকে গোটেইখিনি ঠাই লুটি-পুতি শেষ কৰাত অসংখ্য বৰতোপ, হিলৈ আৰু ঘোৰা আদি এৰি থৈ ঢাকাৰ মুছলমান ফৌজাদাৰ প্ৰাণ লৈ পলাই যায়। ছুজা আৰাকানলৈ পলাই যোৱাত মিৰ্‌জুম্লাক বঙ্গৰ শাসনকৰ্ত্তা পতা হয়, আৰু তেওঁ ততালিকে প্ৰাণনাৰায়ণৰ ফালে চোচা লৈ আহি দেখে এওঁ তাৰ আগতে পলাই ফাট মাৰিলে। ১৬৬২ৰ ৪ জানুৱাৰীত মিৰ্‌জুম্লাই পৰ্টুগীজ আৰু অন্যান্য ইউৰপীয় বিষয়াৰ পৰিচালিত নৌ-বাহিনী লৈ এইবাৰ আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে, আৰু ১৬৬৩ৰ ৩০ মাৰ্চত অতি কষ্টেৰেহে এওঁলোকক কোনোমতে অসমৰ পৰা খেদাব পৰা হৈছিল। জয়ধ্বজৰ পাছত চুপুংমুং চক্ৰধ্বজ সিংহ নাম লৈ ৰজা (১৬৬৩-৬৯) হোৱাত ১৬৬৯ৰ ফেব্ৰুৱাৰীত মোগল সম্ৰাট ঔৰংজেবে (১৬৫৮-১৭০৭) অসম জয় কৰিবলৈ তেওঁৰ ভনতীয়া

ৰজা ৰামসিংহৰ সেনা-নায়কত্বত এক বিপুল সৈন্যবাহিনী পঠায়; ১৬৬৯ৰ এপ্ৰিলতে অৱশ্তে সেই সৈন্যবাহিনীকো পৰাস্ত কৰি ওলটাই পঠোৱা হয়। তাৰ পাছত আহোম ৰাজপাটত আন আন ৰজা বহে; মোগলৰ সপ্তদশ বা শেষ আক্ৰমণ ১৬৮২ খৃঃত গদাধৰ সিংহৰ ৰাজত্বত (১৬৮১-৯৬) একেবাৰে নিৰ্মূল কৰা হয়। সপ্তদশ শতিকাৰ সামৰণি আৰু অষ্টাদশৰ দোকমোকালিত নৰক বংশীয় ৰজাসকলে ৰাজত্ব কৰা বিশাল কামৰূপ ৰাজ্যৰ সৰহ ছোৱাত শ্ৰেষ্ঠতম আহোম ৰজা ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪) ৰজা হয়। এওঁ কছাৰী আৰু জয়ন্তীয়া ৰজা-সকলক আকৌ নিজ অধীনলৈ আনি, ৰূপ আৰু সোণৰ খুটাৰে স্তম্ভ ভৰি, এখন ডাঙৰ দৰ্বাৰ পাতে। কোচ সেনাপতি চিলাৰায়ৰ দৰে ৰুদ্ৰসিংহয়ো মোগলৰ হাতৰ পৰা বঙ্গদেশ পুনৰধিকাৰ কৰিবলৈ দিহা কৰোঁতেই ১৭১৪ৰ আগষ্টত গুৱাহাটীত হঠাৎ তেওঁৰ মৃত্যু হয়। এওঁৰ পাছত শিৱসিংহ আদি কেইবা গৰাকিও দুৰ্বল ৰজা আহোমৰ ৰাজপাটত উঠি পৰাক্ৰমী আহোম ৰাজ্য পতনৰ ঠিয় গড়াত পেলাই দিয়ে; আৰু মায়ামৰা আন্দোলন আদি অন্তৰ্বিপ্লৱ আৰু মানৰ মাৰণ আদি বাহিৰৰ আক্ৰমণ মাতি আনি দেশ চাৰখাৰ কৰায়। ১৮২৬ৰ ২৪ ফেব্ৰুৱাৰীত ইংৰাজ আৰু মানৰ ভিতৰত হোৱা য়াণ্ডাবু সন্ধিতেই অসমৰ স্বাধীনতাত শেষৰ চলু পানী দি অসমে ছাউতি-যুগীয়া খিলঞ্জীয়া স্বাধীনতা হেৰুৱায়।

**(খ) মায়ামৰা আন্দোলন।** অসমত নৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ অগ্ৰগতি যে ধৰ্ম সম্পৰ্কীয় গৰাকিসকলে ভাল চকুৰে চাব নোৱাৰিছিল তাক আগতে উমুকিয়াই অহা হৈছে; আৰু এই পুৰোহিত শ্ৰেণীয়ে যে নিজ ক্ষুদ্ৰ স্বাৰ্থৰ প্ৰতিকূলে যোৱা এই ধৰ্মৰ বিৰুদ্ধে বৈষয়িক অধিকাৰীসকলক মিছা কথা লগাই তাক পুলিতে উৰালিবলৈ যত্ন কৰিছিল তাকো আগতে উল্লেখ কৰি অহা হৈছে। কিন্তু সিমানৰ সত্ত্বেও এই পুলি যে উৰাল খাবলৈ গজা নাছিল সিও প্ৰমাণিত হল; তথাপি শঙ্কৰদেৱ-মাধৱদেৱ আদি সকলে এই ৰাজ্যৰ পৰা খেদা খাই কোচ ৰজা নৰনাৰায়ণৰ আশ্ৰয় লবগৈ লগা হৈছিল ইও ঠিক। কিন্তু গদাধৰ সিংহৰ ৰাজত্বত বৈষ্ণৱসকলৰ ওপৰত যে এই নিৰ্য্যাতনে সীমা পাৰ হৈ গৈছিল তাক গেইটে স্পষ্টভাৱে দেখুৱাইছে; তেওঁৰ পৰৱৰ্তী ৰুদ্ৰসিংহক যদিও একালৰ পৰা শ্ৰেষ্ঠতম আহোম ৰজা বোলা হৈছে, আন ফালৰ পৰা হেওঁ আওপাকে হলেও বৈষ্ণৱ ধৰ্মৰ তথা অসমীয়া জাতীয়ত্বৰ বি অনিষ্ট সাধন কৰি গল তাৰ

তুলনা দিবলৈ নাই ; আৰু সেইটোৱেই ইয়াৰ ভাল নিৰ্ণয় কৰিছে। তাটি ৰয়লত হিন্দু ধৰ্মত তেওঁৰ শৰণ লবলৈ মন গল ; কিন্তু নিজ প্ৰজা মহন্ত এজনৰ ওচৰত মূৰ দোঁৱাবলৈ টান পাই তেওঁ বঙ্গদেশৰ শাক্ত মহন্ত এক কৃষ্ণৰাম ভট্টাচাৰ্য্যক মতাই আনিলে, আৰু তেওঁ আহি পোৱাত ৰজাই তেওঁতো শৰণ নলৈ তেওঁক বঙ্গদেশলৈ ঘূৰাই পঠালে। তাৰ পাছত অসমত এটা ভূমিকম্প হৈ অসমৰ মঠ-মন্দিৰ বহুত ভাঙিলে ; এই প্ৰাকৃতিক দুৰ্য্যোগ সেই বঙ্গদেশীয় শাক্ত মহন্তৰ খণ্ডত হৈছে বুলি কোনোবাই বুজাই দিয়াত ৰজাই আৰু কিবা বিপদ হব পাৰে বুলি ভয় কৰি দ্বিতীয় বাৰ তেওঁক মতাই পঠালে। এইবাৰো তেওঁ বঙালী শাক্ত মহন্তত শৰণ লবলৈ মন নকৰি তেওঁৰ পুতেক শিৱসিংহ আৰু বামুণ বিষয়া-বিলাকক শৰণ লবলৈ আদেশ দিয়াত সেই সকলোবোৰ তেওঁৰ শৰণীয়া হল। শিৱসিংহ ( ১৭১৪-৪৪ ) ৰজা হৈয়েই তেওঁৰ বঙালী শাক্ত গুৰু কৃষ্ণৰামক গুৱাহাটীৰ নীলাচলৰ কামাখ্যা মন্দিৰ চলাবলৈ দিয়ে ক্ষান্ত নহল, অসমৰ বিভিন্ন ঠাইত খাত-পাম দি তেওঁক পাতিলে আৰু আদিতে নীলাচলত থকা বাবে পৰ্বতীয়া গোসাঁই নামেৰে সেইবোৰ তেওঁৰ পুত্ৰ-পৌত্ৰাদিয়ে আজিলৈকে ভোগ কৰিছে। আকৌ সেইটৰ কথাৰে, শিৱসিংহ তেনেই বামুণ পুৰোহিত আৰু জ্যোতিষীবিলাকৰ তলতীয়া আছিল ; ১৭২২ত ৰজাৰ ছত্ৰভঙ্গ যোগ পৰিছে বুলি তেওঁলোকে উলিয়াই দিয়া কথাৰ ওপৰতে তেওঁ ৰাণী ফুলেশ্বৰীক "বৰ ৰজা" পাতিলে, আৰু "বৰ ৰজা" হৈয়ে ফুলেশ্বৰী "উঠি ৰজা" "বহি ৰজা" সকলো হল। এওঁ শিৱসিংহতকৈও বামুণৰহে তলতীয়া আছিল, আৰু তেওঁলোকৰ প্ৰৰোচনাত এনে এটা অবিবেচনাৰ কাৰ্য্য কৰিলে যে তাৰ পৰিণাম গোটেই জাতিটোৰ বাবে চিৰকাললৈ অতি বিষময় হৈ পৰিল। নটৰ জীয়ৰী ফুলমতী "উঠি ৰজা"-"বহি-ৰজা" আৰু বঙালী শাক্ত মহন্তৰ নতুন শিষ্যা ; তেওঁক পায় কোনে ? তেওঁ মায়ামৰা মহন্তক ধৰাই আনি কপালত বলি-কটা ছাগলিৰ তেজৰ ফোঁট-বেখা আঁকাই দিয়ালে। তুঁহ জুইৰ দৰে উমাই উমাই প্ৰায় আঢ়ৈ কুৰি বছৰৰ পাছতো এই অপমানৰ প্ৰতিশোধ দপ্ দপ্ কৈ জ্বলি উঠিল। বৈষ্ণৱ ধৰ্ম-প্ৰচাৰ যেনেকৈ জন-গণৰ হকে কৰা একমাত্ৰ জন-গণৰ মানসিক আন্দোলন, অসম-বুৰঞ্জীত জন-গণৰ হকে আৰু জন-গণৰ দ্বাৰা হোৱা একেটি সামাজিক-ৰাজনৈতিক আন্দোলন মায়ামৰা বিদ্ৰোহ। তাৰ ফলত লক্ষ্মীসিংহ ( ১৭৬৯-৮০ ) সিংহাসনচ্যুত হয় আৰু তেওঁৰ ঠাইত বিদ্ৰোহী দলৰ পৰা ৰমাকান্ত ৰজা হৈ

তেওঁৰ নামে (১৭৬৯ খৃঃ) মোহৰ মৰায়। এইদৰে শেষত ইংৰাজৰ শৰণাপন্ন হৈছে গৌৰীসিংহ (১৭৮০-৯৪) ৰজাই কোনোমতে এই বিদ্ৰোহ দমোৱায়, আৰু তাৰ লগে লগেই ১৭৯৪ৰ ১৯ দিচেম্বৰত গৌৰীসিংহ ঢুকায়।

(গ) **সাহিত্যিক বিশিষ্টতা।** ইংলণ্ডৰ ৰেষ্টৰেচন্ (১৬৬০-১৭০০) আৰু অষ্টাদশ শতিকাৰ সাহিত্যৰ লগত এই যুগ কাণ-সমনীয়া। সেই ৰেষ্টৰেচন্ সাহিত্যৰ দৰেই অসমীয়া সাহিত্যত ই বেণেচেঞ্চৰ শৌৰ্য্য-বীৰ্য্য আৰু উৎফুল্লতাৰ পৰা গতানুগতিক আৰু আটোম-টোকাৰি সাহিত্যলৈ ক্ৰমপৰিবৰ্ত্তনৰ যুগ। ইংৰাজী ৰেষ্টৰেচন সাহিত্য যেনেকৈ এলিজাবেথীয় সাহিত্যৰ (১৫৫০-১৬২০) প্ৰাণ-স্পন্দন, জাতীয় প্ৰেম, নৱন্যাস-প্ৰীতি আৰু সৃজনীমূলক প্ৰতিভা, আৰু সৰহ নালাগে পিউৰিটান যুগৰ (১৬২০-৬০) নৈতিক আগ্ৰহৰ পৰাও সম্পূৰ্ণ বৰ্জ্জিত বুলিব পাৰি; উত্তৰ-বৈষ্ণৱ অসমীয়া সাহিত্যও সেইদৰে ঘাই বৈষ্ণৱ যুগৰ সকলো বিশেষ গুণৰ পৰা হীন হৈ পৰিল। শঙ্কৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী আৰু ভট্টদেৱ আদি প্ৰথম শ্ৰেণীৰ লেখকসকল যোৱাৰ লগে লগেই সাহিত্যৰ বাসন্তী পূৰ্ণিমাৰ জোৱাৰ আঁতৰ হল, আৰু এতিয়া অকল দ্বিতীয় শ্ৰেণীৰ লেখকসকল এই ভাতাৰ ৰখীয়া হৈ থাকিল। বিপুল শস্যৰ ভৰ পক দাই-চপাই নিয়াৰ পাছত ক্ষেত্ৰৰ যি সাৰ-শূন্যতা বা বিবাট উৎসৱৰ পাছত যি মানসিক অৱসাদ, উত্তৰ-বৈষ্ণৱ যুগত সেই শূন্যতা আৰু অৱসাদ সহজে উপলব্ধি কৰিব পাৰি; গীত, কাব্য, অঙ্ক আদিত এই মহাপুৰুষসকলে যি গগন-স্পৰ্শী পতাকা উৰুৱাই থৈ গল, তাৰ পাছত সেই ফালে আগবাঢ়োঁতা কেও নোলোৱাটো স্বাভাৱিক; কেৱল হৰিবংশ, ভাগৱত আদিৰ দুই এখনি সৰু-সুৰা ভাঙনিৰ বাহিৰে চৰিত-পুথি আৰু বংশাৱলী কেৱনমানেই এই যুগৰ পদ্য-সাহিত্যৰ ঘাই সম্বল। গদ্যসাহিত্যত এই যুগৰ অৱদান অৱশ্যে লেখত লব লগা; কিয়নো শঙ্কৰদেৱ-মাধৱদেৱসকলৰ অঙ্কৰ আৰু ভট্টদেৱৰ গীতা-ভাগৱতৰ গদ্যৰ বাহিৰে বৈষ্ণৱ যুগত কথা-সাহিত্যৰ বিশেষ উৎকৰ্ষ ঘাই বৈষ্ণৱ যুগত দেখা পোৱা নহয়। তদুপৰি অঙ্কীয়া গদ্যত মৈথিলী আৰু গীতা-ভাগৱতৰ গদ্যত "কৰন্ত" "খাৱন্ত" আদি বিদেশী গঢ় যিহলি থকাৰ উগৰিও, তাত জতুৱা অসমীয়াৰ চানেকি বিৰল; কিন্তু এই যুগৰ কথা-ৰামায়ণ আৰু কথা-ঘোষা ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাৰ বংশধৰ হলেও ঘাইকৈ বুৰঞ্জী বিজ্ঞান আদিৰ বিভিন্ন গদ্যত অসমীয়া সেই জতুৱা গঢ় দেখিবলৈ পোৱা হয়। বৈষ্ণৱ গদ্যৰ জন্মস্থান সত্ৰ-সভাত, বুৰঞ্জীৰ

ৰাজগৃহত ; বৈষ্ণৱ গদ্যৰ বিষয়-বস্তু ধৰ্মমূলক, বুৰঞ্জীৰ বৈষয়িক ; বৈষ্ণৱ গদ্যৰ আদৰ্শ সংস্কৃত, বুৰঞ্জীৰ স্বতুৱা অসমীয়া। এনেবোৰ মিল-অমিল লৈ এই যুগত হাতী, ঘোৰা আদি বিষয়ক বৈজ্ঞানিক ৰীতিত লিখা পুথিকো লৈ অসমীয়া গদ্য-ৰীতি যথেষ্ট আগবাঢ়িল। এই বিশিষ্ট অৱদানৰ ভিত্তিত ছাৰ জৰ্জ আব্ৰাহাম্ গ্ৰীয়াৰ্ছনে বুৰঞ্জী সাহিত্যৰ বিষয়ে কোৱা প্ৰসিদ্ধ কথাৰ মৰ্ম :—'অসমীয়াই নিজ জাতীয় সাহিত্যৰ বাবে যথাৰ্থতে গৌৰৱ কৰিব পাৰে। কিন্তু যি বিষয়ত ভাৰতবৰ্ষ আচৰিতভাৱে পিছ পৰা তেনে এটিতহে অসমীয়া আটাইবোৰ বিষয়তকৈ আগবঢ়া। অসমীয়াৰ বুৰঞ্জী সাহিত্য এটি জাতীয় সম্পদ। ই সদায় জাতীয় আৰু এতিয়ালৈকে জাতীয় হৈয়ে আছে। অসমীয়া জাতীয় প্ৰতিভাই ইয়াক নিজ বাটেদি আগবঢ়াই নিছে ; বঙ্গীয় সাহিত্যত নোহোৱা-নোপজা এই বিষয়টি অসমীয়াৰ থাই গৌৰৱৰ বস্তু। অসমীয়া জাতিয়ে অসমীয়া সাহিত্য গঢ়িলে নে অসমীয়া সাহিত্যই অসমীয়া জাতি গঢ়িলে, মই কব নোৱাৰোঁ ; কিন্তু অসমীয়া আৰু অসমীয়া সাহিত্য উভয়েই শত শত বছৰ জুৰি শক্তিমন্তভাৱে জীৱিত আছে, ই সত্য কথা।'

**অনুবাদ আৰু চৰিতমূলক বৈষ্ণৱ পদ্য-গদ্য। হৃদয়ানন্দ বা অনন্ত কায়স্থৰ নাম** অনন্ত কন্দলীৰ ৰচিত ৰামায়ণৰ সামৰণিৰ ফালে আছে : "কায়স্থ হৃদয়ানন্দে কয়। শুনিয়োক সভাসদচয়॥ অশ্ব মুণি বাণ চন্দ্ৰ শকত। শুক্ল অগ্ৰণে দ্বিতীয় পক্ষত॥ শ্ৰীৰাম-কীৰ্ত্তন ভৈল উপসাম। অনন্তে কহে বোলা ৰাম ৰাম॥" তেন্তে ১৫৭৭ শকত ( ১৬৫৫ খৃঃ ) শ্ৰীৰাম-কীৰ্ত্তনৰ সামৰণি মৰা এই হৃদয়ানন্দ বা অনন্ত কবি কোন ? শঙ্কৰদেৱৰ সমসাময়িক হৰিচৰণ অনন্ত কন্দলী ইমান দিনলৈ জীয়াই থকা নিশ্চয় সম্ভৱ নহয়। এই ভণিতাৰ আগছোৱাত পোৱা হৃদয়ানন্দ কায়স্থ এই অনন্ত কবিৰ আন নাম ; কিন্তু এই হৃদয়ানন্দ কায়স্থই বা কোন ?—

"আত পাছে শুনা ব্যাসকলাইৰ যেন ভৈল বিসঙ্গতি।
হৃদয়ানন্দ নামে তাহান তনয় মহাধীৰ শুদ্ধমতি॥১৩৫৮।
মহা বিচক্ষণ সুন্দৰ শৰীৰ ওজা বৰ কীৰ্ত্তনৰ।
তেন্তে পদ গান্তে শ্ৰীমন্ত শঙ্কৰে আনন্দ লভে বিস্তাৰ॥"১৩৫৯।

কিন্তু গুৰুচৰিতত পোৱা ব্যাসকলাইৰ এই পুতেকজনো শঙ্কৰদেৱৰ নবীন সমসাময়িক হৈ ইমান দিনলৈ আছিল বুলিব নোৱাৰি। তেন্তে এওঁ কোনো